**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 21-07-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। ন্যায়াধীশ আশুতোষ কুমাৰৰ আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ অনুষ্ঠান।
২। সংসদৰ মাহজোৰা বৰ্ষাকালীন অধিৱেশন আজি আৰম্ভ।
৩। ৰাজ্যৰ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক আৰু অধ্যক্ষকে ধৰি ৬১ গৰাকী প্ৰাৰ্থীক আজি আজি আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠান।
৪। ৰাজ্যজুৰি জাপানীজ এনকেফেলাইটিছ ৰোগৰ গুৰুতৰ ৰূপ ধাৰণ।

*আৰু*

৫। ছিপাঝাৰৰ গৰুখুটি বহুমুখী কৃষি প্ৰকল্পৰ চতুৰ্থ বৰ্ষপূৰ্তি উদযাপনৰ আয়োজন।

oooooooo

পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আশুতোষ কুমাৰে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰিব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ১০ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ন্যায়াধীশগৰাকীক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণৈক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হয়। তেতিয়াৰপৰাই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ হিচাপে ন্যায়াধীশ মাইকেল জোথানখুমাই দায়িত্ব পালন কৰি আহিছিল।

oooooooo

সংসদৰ বৰ্ষাকালীন অধিৱেশন আজি আৰম্ভ হ'ব। এই অধিৱেশন ২১ আগষ্টলৈ চলিব। অধিৱেশনৰ কালছোৱাত উভয় সদনৰ মুঠ ২১ খন বৈঠক অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে অপাৰেচন সিন্দূৰৰ পাছত এয়া হৈছে সংসদৰ প্ৰথমখন অধিৱেশন।

সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে কালি নতুন দিল্লীৰ সংসদ ভৱনত ৰাজ্যসভাৰ নেতা জগত প্ৰকাশ নাড্ডাৰ সভাপতিত্বত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিৰোধী পক্ষৰ সদস্যসকলে অপাৰেচন সিন্দূৰ সন্দৰ্ভত চৰকাৰ আৰু বিশেষকৈ সদনৰ নেতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদনত বিবৃতি দিব লাগে বুলি প্ৰস্তাৱ আগবঢ়ায়। ইয়াৰ লগতে বিহাৰত ভোটাৰ তালিকাৰ সংশোধনী সন্দৰ্ভত চৰকাৰৰ বক্তব্যও এইবাৰৰ অধিৱেশনত দাঙি ধৰিবলৈ আহ্বান জনায়। বিৰোধী দলৰ কেইবাগৰাকীও নেতাই অপাৰেচন সিন্দূৰৰ সময়ত ভাৰত আৰু পাকিস্তানৰ সংঘৰ্ষ বিৰোধী ক্ষেত্ৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কৰা দাবী সন্দৰ্ভত চৰকাৰে সদনত এটা বিবৃতি দিবলৈ আহ্বান জনায়।

বিভিন্ন ৰাজনৈতিক দলৰ নেতাই এই বৈঠকত অংশগ্ৰহণ কৰে। অনুষ্ঠিত এই বৈঠকত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু, সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড° এল মুৰুগানে বৈঠকত উপস্থিত থাকে। তদুপৰি কংগ্ৰেছ দলৰ গৌৰৱ গগৈ আৰু প্ৰমোদ তিৱাৰী, এন চি পি-এছ চি পিৰ সুপ্ৰিয়া

চুলে, ডি এম কেৰ তিৰুচি শিৱা আৰু টি আৰ বালু আৰু সমাজবাদী পাৰ্টীৰ ৰাম গোপাল যাদৱ, আপৰ নেতা সঞ্জয় সিং বৈঠকত উপস্থিত থাকে।

সংসদীয় পৰিক্ৰমা মন্ত্ৰী ৰিজিজুৱে কয়, যে অধিৱেশনৰ সময়ছোৱাত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰাৰ লগতে কেইবাখনো বিধেয়ক গৃহীত কৰা হ'ব। অধিৱেশনৰ সময়ছোৱাত ১৭ খন বিধেয়ক সন্দৰ্ভত আলোচনা তথা গৃহীত হোৱাৰ সম্ভাৱনা আছে। অধিৱেশনত জনবিশ্বাস সংশোধনী ব্যৱস্থা বিধেয়ক ২০২৫, ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালনা বিধেয়ক ২০২৫, ব্যৱসায়িক জাহাজ চলাচল বিধেয়ক ২০২৫কে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সদনত আলোচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সংসদৰ বৰ্ষাকালীন অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে সংবাদ মাধ্যমক সম্বোধন কৰিব।

oooooooo

অসমৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। তিনিচুকীয়া জিলাৰ কাকপথাৰত এই ৰোগত আক্ৰান্ত হৈ কালি জয়শ্ৰী চাংমাই নামৰ এগৰাকী ছাত্ৰীৰ মৃত্যু হয়। কাকপথাৰ দপথাৰ মাজগাঁৱৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰীগৰাকী এই ৰোগত আক্ৰান্ত হৈ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। জিলাখনত এতিয়ালৈকে ৯ জন লোক জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হোৱাৰ খবৰ আহিছে। এই সন্দৰ্ভত আমাৰ তিনিচুকীয়া জিলাৰ সংবাদদাতা মনোৰঞ্জন মৰাণ –

বাইট

ইফালে, যোৰহাট জিলাৰ তিতাবৰতো কালি জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ বৰ্ষা মুণ্ডা নামৰ ৭ বছৰীয়া এটি শিশুৰ মৃত্যু হয়। যোৱা ৭ জুলাইত আক্ৰান্ত শিশুটিত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও কালি নিশা চিকিৎসাধীন অৱস্থাতে শিশুটিয়ে মৃত্যুক সাৱটি লয়। জামুগুৰিহাটতো জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ অৰূপ নাথ নামৰ ৩৬ বছৰীয়া এজন যুৱকৰ মৃত্যু হয়। তেজপুৰত গৃহৰক্ষী বাহিনীৰ জোৱান হিচাপে কৰ্মৰত যুৱকজনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। তীব্ৰ জ্বৰ, মূৰৰ বিষ, বমি আদি সমস্যাই দেখা দিলে তৎক্ষণাত চিকিৎসকৰ পৰামৰ্শ ল'বলৈ স্বাস্থ্য বিভাগে সকলোকে আহ্বান জনাইছে।

oooooooo

বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা দুদিনীয়া ভ্ৰমণসূচীৰে কালি আফ্ৰিকা মহাদেশৰ লেছ'থ'ত উপস্থিত হয়। দেশখনত উপস্থিত হোৱাৰ পাছতে তেওঁক বৈদেশিক পৰিক্ৰমা আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ প্ৰধান সচিব থাবাং লেখেলাই আদৰণি জনায়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমাৰ্ঘেৰিটাই কয়, যে দেশ দুখনৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰা বাবে তেওঁ দেশখনৰ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হ'ব। ৰাজধানী মাছেৰুত তেওঁ দেশখনৰ তথ্য, যোগাযোগ, বিজ্ঞান-প্ৰযুক্তি আৰু উদ্ভাৱনী মন্ত্ৰী তথা শিক্ষা আৰু প্ৰশিক্ষণ মন্ত্ৰীক সাক্ষাৎ কৰিব।

oooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত দেখা দিয়া খৰাং পৰিস্থিতি সন্দৰ্ভত কৃষিমন্ত্ৰী অতুল বৰাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে বিতংভাৱে আলোচনা কৰিছে। নতুন দিল্লীত সাংবাদিকৰে সৈতে হোৱা কথা-বতৰাত যোৱানিশা কৃষিমন্ত্ৰীগৰাকীয়ে কয়, যে জলবায়ু পৰিৱৰ্তনে বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। এই প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবৰ বাবে মুখ্যমন্ত্ৰীৰ সৈতে বিতংভাৱে আলোচনা কৰা হৈছে। জলসিঞ্চন বিভাগে খৰাং

পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে সুকীয়াকৈ কাম কৰি থকাৰ কথা উল্লেখ কৰি কৃষিমন্ত্ৰীগৰাকীয়ে কয়, যে কৃষি বিভাগৰ তৰফৰ পৰাও ক্ষুদ্ৰ জলসিঞ্চনৰ ব্যৱস্থা কৰা হয়। এই ব্যৱস্থাৰ জৰিয়তে সম্প্ৰতি খৰাং পৰিস্থিতিৰ জোৰা মাৰিবলৈ চেষ্টা চলাই থকা হৈছে।

oooooooo

ছিপাঝাৰৰ গৰুখুটি বহুমুখী কৃষি প্ৰকল্পৰ চতুৰ্থ বৰ্ষপূৰ্তি আজি উদযাপন কৰা হ'ব। ২০২১ চনত গৰুখুটিত চৰকাৰৰ এই বহুমুখী কৃষি প্ৰকল্প আৰম্ভ কৰা হৈছিল। চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে বহুমুখী কৃষি প্ৰকল্প সমিতিৰ উদ্যোগত বন্তি প্ৰজ্বলন, পতাকা উত্তোলন, ভূমি পূজন, গছপুলি ৰোপণ, নৱনিৰ্মিত ভাগৱত নামঘৰ, ৰংগমঞ্চ আৰু পশুপালন গৃহ উদ্বোধন কৰা হ'ব। বৰ্ষপূৰ্তি অনুষ্ঠানৰ মুকলি সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, গৰুখুটি বহুমুখী কৃষি প্ৰকল্প সমিতিৰ অধ্যক্ষ তথা চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, দৰং জিলা আয়ুক্তকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

oooooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গৱেষক চ'ৰাৰ উদ্যোগত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ জন্ম দিৱস উপলক্ষে কালি এখন বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। কৃষ্ণকান্ত সন্দিকৈৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী আৰম্ভ হোৱা অনুষ্ঠানটোত গৱেষক মাধুৰীমা শইকীয়াই কৃষ্ণকান্ত সন্দিকৈ দেৱৰ ৰচিত এটি গীত পৰিৱেশন কৰে। বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক জয়ন্ত কুমাৰ বৰাই **উনবিংশ শতিকাৰ ভাৰতৰ নৱজাগৰণ আৰু জ্ঞানৰ সাধনা** বিষয়ত তথ্য সমৃদ্ধ আৰু তত্বগধূৰ এটা বক্তৃতা প্ৰদান কৰে।

oooooooo

গ্ৰাম্য অঞ্চলৰ লোকসকলৰ স্বাস্থ্য সুনিশ্চত কৰাৰ বাবে কালি শ্ৰী শংকৰদেৱ নেত্ৰালয়, মায়ং গাঁও পঞ্চায়ত আৰু ৰজা মায়ং উন্নয়ন সমিতিৰ সহযোগত ৰ'টাৰী ক্লাব অব গুৱাহাটীয়ে মৰিগাঁও জিলাৰ মায়ঙত এটা বিনামূলীয়া চকু পৰীক্ষা তথা চিকিৎসা শিবিৰ অনুষ্ঠিত কৰে। শিবিৰটোত মুঠ ১০৯ গৰাকী ব্যক্তিৰ চকু পৰীক্ষা কৰা হয়। ইয়াৰে ২৫ গৰাকীক বিনামূলীয়াকৈ কেটেৰেকৰ অস্ত্ৰোপচাৰ কৰা হ'ব বুলি ৰ'টাৰী ক্লাবৰ সভাপতি মনোজ কুমাৰ দাসে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, ৰ'টাৰী ক্লাব অব গুৱাহাটীয়ে যোৱা ১৮ জুলাই তাৰিখে দিগাৰুৰ বামুনখাটত ৬০ গৰাকীতকৈও অধিক মাতৃ আৰু শিশুৰ মাজত প্ৰাথমিক পুষ্টিৰ বাবে প্ৰয়োজনীয় খাদ্যৰ যোগান ধৰে।

oooooooo

শিলচৰ থানাৰ অন্তৰ্গত ৰামনগৰ বাইপাছ অঞ্চলত আৰক্ষীয়ে অভিযান চলাই শনিবাৰে প্ৰায় ৪৩৯ গ্ৰাম ওজনৰ তিনিটা সন্দেহযুক্ত সোণৰ বিস্কুট উদ্ধাৰ কৰে। মণিপুৰৰ পৰা অনা এই সোণৰ বিস্কুটসমূহ শিলচৰৰ আই এছ বি টিৰ সমীপৰ এটা স্থানত হস্তান্তৰ কৰাৰ পৰিকল্পনা কৰা হৈছিল। ঘটনাত জড়িত চূড়াচান্দপুৰৰ এজন ব্যক্তিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি তদন্ত চলাই থকা বুলি আমাৰ শিলচৰৰ সংবাদদাতাক জানিবলৈ দিয়ে।

oooooooo

কাছাৰৰ কালাইন সিন্দূৰা বনভোজথলীত পাহাৰৰ পৰা বৈ অহা নৈৰ পানীত পৰি এজন যুৱকৰ মৃত্যু হোৱাৰ লগতে আন এজন যুৱক সন্ধানহীন হৈ আছে। জানিব পৰা মতে বদৰপুৰ আৰু ভাংগাৰ পৰা ৭ জন বন্ধু সিন্দুৰা বনভোজথলীলৈ আহিছিল। নৈত গা ধুবলৈ গৈ বদৰপুৰৰ বিশাল ঘোষ আৰু সৌভিক সৰকাৰ

নামৰ দুজন যুৱক নিখোঁজ হৈ পৰে। দুয়োজন যুৱক নিখোঁজ হোৱাৰ পাছতে বনভোজথলীত স্থানীয় লোকৰ তৎপৰাত বিশাল ঘোষৰ মৃতদেহ উদ্ধাৰ কৰা হয়। সন্ধানহীন সৌভিক সৰকাৰক বিচাৰি ঘটনাস্থলীত এছ্ ডি আৰ এফে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

oooooooo

**দিল্লীৰ উদীয়মান যুৱ ফুটবল প্ৰতিযোগিতা অৰিয়েণ্টেল কাপৰ তৃতীয় সংস্কৰণ আজিৰে পৰা ড০ আম্বেদকাৰ ষ্টেডিয়ামত আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত ৩৬টা দলে অংশগ্ৰহণ কৰিছে। ইয়াৰে ২৪টা দল ল'ৰাৰ আৰু ১২টা দল ছোৱালীৰ। উদ্বোধনী খেলত ল'ৰা শাখাত দ্বাৰকাৰ চৰকাৰী সহ-শিক্ষা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ে, মাদাৰছ ইণ্টাৰনেশ্যনেল স্কুলৰ বিৰুদ্ধে খেলিব, তাৰ পিছতে সেই দুটা দলৰেই ছোৱালীৰ দল দুটি মুখামুখি হ'ব। দিনটোৰ দ্বিতীয়াৰ্দ্ধত প্ৰথম সংস্কৰণৰ বিজয়ী চুব্ৰত' পাৰ্কৰ এয়াৰ ফৰ্চ স্কুলৰ ল'ৰাৰ দলটোৱে জেএনইউ ৰ কেন্দ্ৰীয় বিদ্যালয় দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাখনৰ সকলো খেল ড° আম্বেদকাৰ ষ্টেডিয়ামতেই অনুষ্ঠিত হ'ব। ২৯ জুলাইত প্ৰতিযোগিতা খনৰ চুড়ান্ত খেলখন অনুষ্ঠিত হ'ব।**

oooooooo

যোৰহাট জিলা দবা সন্থাৰ সোণালী জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচী হিচাপে বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইয়াৰে সৈতে সংগতি ৰাখি যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত কালিৰে পৰা ২৪ জুলাইলৈ ৪৮ সংখ্যক সদৌ অসম মুকলি ফিডে ৰেটিং দবা প্ৰতিযোগিতা আৰম্ভ হৈছে। এই প্ৰতিযোগিতাত ৰাজ্যৰ ২৭খন জিলা ২৬৭গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে।

oooooooo

## News Paper REV

আজিৰে পৰা সংসদৰ বৰ্ষাকালীন অধিৱেশন আৰম্ভ, ২০২৬ চনত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিৰ চিন্তন বৈঠক, ৰাজ্যত খৰাং সদৃশ পৰিৱেশ, উৰিয়ামঘাট আৰু নেঘেৰিবিলত উচ্ছেদৰ বাবে চৰকাৰৰ প্ৰস্তুতি আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন দৈনিক বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

উৰিয়াম ঘাট সীমান্তত গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগৰ বিশাল বাহিনীয়ে দখলকাৰীক উচ্ছেদৰ প্ৰস্তুতিৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **উচ্ছেদৰ আতংকত উৰিয়ামঘাটৰ পৰা টালি-টোপোলা বান্ধি পলায়ন বেদখলকাৰীৰ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে সোণাপুৰত অনুষ্ঠিত বিজেপিৰ চিন্তন বৈঠকৰ বাতৰিটো **তৃতীয়বাৰলৈ ক্ষমতা দখলৰ সংকল্প** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে স্থান দিছে।

আমাৰ অসম কাকতে ব্ৰহ্মপুত্ৰ নদীৰ উৎসত চীনৰ নদীবান্ধ নিৰ্মাণ কৰা বাতৰিক **ব্ৰহ্মপুত্ৰক ভেটা দি বিশ্বৰ বৃহত্তম বান্ধ নিৰ্মাণ আৰম্ব চীনৰ** শিৰোনামেৰে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে বিজেপিৰ সকলো বিধায়কে সমাগত বিধানসভা নিৰ্বাচনত টিকট পোৱা-নোপোৱা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়াৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক জনমভূমি কাকতখনে ৰাজ্যখনত সত্ৰ, বনাঞ্চল, চৰনীয়া পথাৰ আদি দখলৰ সন্দৰ্ভত **৯ লাখ ৪৫ হাজাৰ ৪২০ বিঘা ভূমিৰ তিনি হাজাৰ ৬৪৩ বিঘাহে মুক্ত** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত এটা বাতৰি প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে চৰকাৰৰ ২০৩০ চনৰ ভিতৰত দৈনিক ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰা বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে।

দি আছাম ট্ৰিবিউন কাকতে আজিৰে পৰা সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ আৰম্ভৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দ্যা ছেণ্টিনেল কাকতে সংসদৰ বৰ্ষাকালীন অধিৱেশন অপাৰেচন সিন্দূৰ সন্দৰ্ভত আলোচনা কৰা হ'ব বুলি কিৰেণ ৰিজিজুৱে কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ উভতি যাও।

oooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

oooooooo

**সমাপ্ত**